No. of Printed Pages—2

440 (ACS)

[20-HKPGDEO–M2S(O)21J]

MA 2nd Semester (Old) Exam., 2020

ASSAMESE

[MAS (S2) 08]

(অসমীয়া চুটিগল্প)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ৰামধেনু যুগৰ যি কোনো চাৰিগৰাকী গল্পকাৰৰ নাম আৰু একোখনকৈ গল্প-পুথিৰ নাম লিখক।

(b) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত গল্প-পুথিকেইখনৰ নাম লিখক।

(c) প্ৰথম অসমীয়া চুটিগল্পটো কি? গল্পটো ক'ত, কেতিয়া আৰু কাৰ প্ৰচেষ্টাত প্ৰকাশ হৈছিল?

(d) 'ভৱিষ্যৎ' গল্পটোৰ গল্পকাৰ কোন? গল্পটোৰ বিষয়বস্তু কি?

(e) 'সেন্দূৰ' গল্পটোৰ নামকৰণৰ তাৎপর্য বিশ্লেষণ কৰক।

(f) 'বীণা-কুটিৰ' গল্পটোৰ পটভূমি সম্পর্কে আভাস দিয়ক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) 'মুক্তি' গল্পটোৰ চৰিত্ৰ সম্পর্কে চমুকৈ আলোচনা কৰক।

(b) 'ভৱিষ্যৎ' গল্পত এচাম চিকিৎসকৰ স্বাৰ্থপৰ মনোভাৱ কেনেদৰে ফুটি উঠিছে?

(c) 'পৰাজয়' গল্পত প্ৰতিফলিত সমাজব্যৱস্থা সম্পর্কে বহলাই লিখক।

(d) 'অক্টোপাচ' গল্পৰ নায়ক ববৰ হত্যা সম্পর্কে ধাৰণা কেনেধৰণৰ?

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ৰামধেনু যুগৰ গল্পৰ বৈশিষ্ট্য উল্লেখ কৰক।

(b) 'সেন্দূৰ' গল্পত প্ৰতিফলিত নাৰী-মনস্তত্ত্ব সম্পৰ্কে বিশ্লেষণ কৰক।

(c) 'বীণা-কুটিৰ' গল্পটোৰ কলাত্মক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰক।

(d) 'অক্টোপাচ' গল্পৰ আধাৰত ববে জুদিক হত্যা কৰাৰ কাৰণ ব্যাখ্যা কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) স্বৰাজোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

(b) 'মুক্তি' গল্পটোৰ কাহিনীৰ আভাস দি সুকুমাৰৰ কৰুণ পৰিণতিৰ বাবে কোন দায়ী, বিশ্লেষণ কৰক।

(c) 'পৰাজয়' গল্পত সাম্যবাদী দৃষ্টিভঙ্গী আৰু বিপ্লৱী চেতনা কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰক।

(d) 'সেন্দূৰ' গল্পত ভবেন্দ্ৰনাথ শইকীয়াৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ কিদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

(e) 'বীণা-কুটিৰ' গল্পত নগৰীয়া জীৱনৰ বক্ষতা আৰু পৰম্পৰাগত মূল্যবোধৰ অবক্ষয় কিদৰে বৰ্ণিত হৈছে, আলোচনা কৰক।

★★★